# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-05-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি চাৰে ৪ বজাত সামৰণি। নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি সম্পূৰ্ণ।

২। শিক্ষকসকলৰ বদলিকৰণৰ বাবে অনলাইন আবেদনৰ সময়সীমা ২০ মে'লৈ বৃদ্ধি।

৩। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ সংক্ৰান্তত অধ্যক্ষ, ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু বিষয় শিক্ষককে ধৰি মুঠ দহ জনক চাকৰিৰ পৰা নিলম্বন।

৪। তিনিচুকীয়াৰ ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰত আজিৰে পৰা দুদিনীয়াকৈ সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ডেলহি কেপিটেল্‌ছ ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি বিয়লি চাৰে ৪ বজাত সামৰণি পৰে। দ্বিতীয় পৰ্যায়ত পৰহিলৈ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। এই নিৰ্বাচনৰ বাবে মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ বাবে আজি ৰাজ্যিক নিৰ্বাচন আয়ুক্তই ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে গৃহ বিভাগৰ আৰক্ষী সঞ্চালকপ্ৰধান, গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্তকে ধৰি সংশ্লিষ্ট জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে আলোচনাত মিলিত হয়।

ইপিনে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, গৌৰৱ গগৈ, বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াইও কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ছয়গাঁও মিনি ষ্টেডিয়ামত অগপ, বিজেপি আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ লগতে বজালী বিধানসভা সমষ্টিত বিজেপি আৰু অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিত্যানন্দ হাইস্কুল খেলপথাৰত আয়োজিত বিশাল বিজয় সংকল্প সমাৱেশত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই আজি জাগীৰোডৰ নেলীত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত

প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ কথা উল্লেখ কৰি গ্ৰামাঞ্চলৰ উন্নয়ন সুনিশ্চিতকৰণৰ বাবে পঞ্চায়ত নিৰ্বাচনত বিজেপিক সমৰ্থন কৰিবলৈ আহ্বান জনায়। মন্ত্ৰী পীযূষ হাজৰিকাই আজি পঞ্চায়ত নিৰ্বাচন উপলক্ষে কামৰূপ মহানগৰ আৰু ডিমৰীয়া মণ্ডল সমিতিৰ উদ্যোগত দুৰুঙত আয়োজিত বিজয় সংকল্প সমাৰেশত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে আজি ডিমৰীয়া আৰু চন্দ্ৰপুৰত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ চলায়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি প্ৰচাৰৰ শেষ দিনটোত বঙাইগাঁও জিলাত নিৰ্বাচনী সভাত অংশ লয়। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত ভকতগাঁও জিলা পৰিষদত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰেলীত অংশগ্ৰহণ কৰে।

ইপিনে, পৰহিলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জিলাখনৰ সকলো ভোটদাতাক শান্তিপূৰ্ণভাৱে তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়।

**বাইট (দেৱাশীষ শৰ্মা)**

কামৰূপ জিলাত ১৮ খন জিলা পৰিষদ, ৯৭টা আঞ্চলিক পঞ্চায়ত আৰু ৯১০টা গাঁও পঞ্চায়তৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। জিলাখনত ইতিমধ্যে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰায় ৬ হাজাৰ প্ৰিজাইডিং আৰু প'লিং বিষয়াক নিয়োগ কৰা হৈছে। কামৰূপ জিলাৰ অসম-মেঘালয় সীমান্ত তথা স্পৰ্শকাতৰ কেইবাটাও ভোটকেন্দ্ৰসমূহত বিশেষ সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

গোৱালপাৰা জিলাতো নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন সাজু হৈ উঠিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। জিলাখনত স্থাপন কৰা মুঠ ৯৫৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ ৩০টা মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। গোৱালপাৰা জিলাৰ মুঠ ১৬টা জিলা পৰিষদীয় সমষ্টিৰ দুটাত বিনা প্ৰতিদ্বন্দ্বিতাৰে প্ৰাৰ্থী নিৰ্বাচিত হোৱাত বাকী থকা ১৪টা সমষ্টিৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

দৰং জিলাত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ মঙলদৈৰ সংবাদদাতা ময়ূখ গোস্বামী—-

**ভইচ (ময়ূখ গোস্বামী)**

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি যিকোনো ঠাইত ৫ জনতকৈ অধিক লোক সমবেত হোৱা, নিৰ্বাচনী কাম-কাজৰ বাবে কৰ্তৃত্বপ্ৰাপ্ত লোক বা আৰক্ষীৰ বাহিৰে অন্যান্য লোকে ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰ পৰিধিৰ ভিতৰত মোবাইল ফোনৰ ব্যৱহাৰ, ব্যক্তিগত সুৰক্ষাকৰ্মী থকা লোকক সুৰক্ষাকৰ্মীসহ ভোটগ্ৰহণ কেন্দ্ৰত প্ৰৱেশ আদি ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। একেদৰে নিৰ্বাচন হ'বলগীয়া জিলাসমূহত আজি বিয়লি চাৰে ৪ বজাৰ পৰা ৭ মে'ৰ বিয়লি চাৰে ৪ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

ooooo

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বদলিকৰণৰ বাবে অনলাইন আবেদনৰ সময়সীমা ২০ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাথমিক, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনৰ শিক্ষকসকলে একক অথবা পাৰস্পৰিক বদলিৰ বাবে WWW.HRMSASSAM.IN প'ৰ্টেলৰ জৰিয়তে ২০ মে'ৰ মাজ নিশাপৰ্যন্ত আবেদন কৰিব পাৰিব। এই ক্ষেত্ৰত কোনোধৰণৰ অফলাইন আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ সন্দৰ্ভত অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ ১০ খন শিক্ষানুষ্ঠানৰ ৯ গৰাকী অধ্যক্ষ, ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু এগৰাকী বিষয় শিক্ষকক চাকৰিৰ পৰা নিলম্বন কৰিছে। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে প্ৰশ্নকাকত ফাদিলৰ ঘটনাক লৈ শিক্ষককেইগৰাকীলৈ কাৰণ দৰ্শোৱা জাননী জাৰি কৰিছিল আৰু এই ক্ষেত্ৰত সন্তোষজনক উত্তৰ লাভ নকৰাৰ বাবে তেওঁলোকক চাকৰিৰ পৰা নিলম্বন কৰা হয়। সেই অনুসৰি শোণিতপুৰৰ নাৰেংকাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড০ ৰোহিত চন্দ্ৰ ৰাভা, নগাঁৰৰ পি এম শ্ৰী কঠিয়াতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সন্ধ্যা বেজবৰুৱা, ধেমাজিৰ বৰদলনি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ কবিতা চুতীয়া, ধেমাজিৰ দুলিমেৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ কুমাৰ দত্ত, ধেমাজি গাৰ্লছ্ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ চক্ৰৱৰ্তী বৰগোহাঁই, পশ্চিম জোনাই ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ গোপীৰাম দলে, মাজুলীৰ কমলাবাৰী সত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ লীলামণি বৰগোহাঁই, ধুবুৰীৰ লক্ষীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মইনুল হক মণ্ডল, ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰদীপ কুমাৰ কলিতা আৰু গোৱালপাৰাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক হিমানী দত্তক নিলম্বন কৰা হৈছে।

০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানত হাতীৰ চোৰাং চিকাৰৰ সৈতে জড়িত তিনিজন লোকক চিৰাং আৰক্ষীয়ে আটক কৰিছে। যোৱা শনিবাৰে ৰাষ্ট্ৰীয় উদ্যানখনত হাতীৰ চোৰাং চিকাৰৰ ঘটনাৰ পাছতে আৰক্ষীয়ে অভিযান চলাই ৪৮ ঘণ্টাৰ ভিতৰত লোককেইজনক আটক কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে চোৰাং চিকাৰীকেইজনৰ পৰা দুটা এছ্ বি এম এল বন্দুক, ভালেখিনি গুলী-বাৰুদ আৰু ৰাকি-টকিকে ধৰি ভালেমান আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে। আৰক্ষীয়ে লগতে তথ্য প্ৰমাণৰ ভিত্তিত দুটা হাতীৰ দাঁত জব্দ কৰে।

০০০০০

জাপানৰ নিম্ন সদন হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ৰ নেতৃত্বত দেশখনৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দলটো আজি তিনিদিনীয়া ভ্ৰমণ সামৰি অসমৰ পৰা উভতি গৈছে। ৰাজ্যৰ ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাৰ লগতে ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকলে বৰঝাৰৰ লোকপ্ৰীয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত তেওঁলোকক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়।

দলটোৱে কালি জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিমল বৰাৰ উপস্থিতিত দলটোৱে প্ৰকল্পস্থলীৰ বিভিন্ন দিশৰ বুজ লয়। অধ্যক্ষগৰাকীৰ নেতৃত্বত জাপানৰ প্ৰতিনিধি দলটোৱে এই প্ৰকল্প পৰিদৰ্শন কৰি উৎসাহিত হোৱাৰ লগতে অসম তথা কেন্দ্ৰীয় চৰকাৰৰ সহযোগত কাম কৰি যাবলৈ আগ্ৰহ প্ৰকাশ কৰে। দলটোৰ এই ভ্ৰমণ সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনলৈ এনেদৰে বিদেশী প্ৰতিনিধিৰ সঘনে আগমন হোৱাটো শুভ লক্ষণ বুলি মন্তব্য কৰে।

ইয়াৰ আগেয়ে জাপানৰ দলটোৱে আই আই টি গুৱাহাটীৰ আমিনগাঁৱত থকা আছিয়ান ৱান টেকনিকেল ডেভেলপমেণ্ট চেণ্টাৰ পৰিদৰ্শন কৰে। তেওঁলোকে কেন্দ্ৰটো পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় আৰু জাপান চৰকাৰৰ উদ্যোগত শীঘ্ৰেই যুৱক-যুৱতীসকলক জাপানী ভাষাৰ লগতে বিভিন্ন কাৰিকৰী দিশত প্ৰশিক্ষণৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব বুলি মত পোষণ কৰে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষগৰাকীয়ে কেন্দ্ৰটো পৰিদৰ্শন কৰি কয়, যে তথ্য-প্ৰযুক্তি তথা মানৱ সম্পদেৰে ভাৰত সমৃদ্ধিশালী। জাপানত প্ৰতিষ্ঠিত হ'বলৈ

বিচৰা মানৱ সম্পদক উদ্গনি যোগাবলৈ দেশখন আগ্ৰহী বুলি তেওঁ উল্লেখ কৰে। তদুপৰি আন্তঃগাঁথনি, নিৰ্মাণ, শিক্ষা, অৰ্থনীতি তথা ৰাজনৈতিক ক্ষেত্ৰতো গণতান্ত্ৰিক দেশ দুখনে সহযোগিতাৰে কাম কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৪২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। বৰপেটা আৰক্ষীয়ে কালি আজিবুৰ ৰহমান, হোজাই আৰক্ষীয়ে জয়নালউদ্দিন আৰু চিৰাং আৰক্ষীয়ে আশ্ৰাফুল ইছলাম নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষী এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত থাকিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টিগোচৰ হোৱা মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে ভাৰত বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে হাইলাকান্দি আৰু চিৰাঙত ৩ জন, কোকৰাঝাৰ, কামৰূপ, গোৱালপাৰা, দক্ষিণ শালমাৰা মানকাচৰ, হোজাই আৰু নগাঁৱত দুজনকৈ তথা বিশ্বনাথ, দৰং, গোলাঘাট, ধুবুৰী, লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, শোণিতপুৰ, শ্ৰীভূমি, বৰপেটা আৰু তামুলপুৰ জিলাৰ এজনকৈ লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰত আজিৰে পৰা দুদিনীয়াকৈ সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মৰাণ জনগোষ্ঠীৰ লোকসকলে অংশ লৈছে। আজি কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছত গ্ৰন্থমেলা মুকলি, অধ্যয়নচক্ৰ, আলোচনা সত্ৰ, মৰাণ ছাত্ৰ সন্থাৰ মুখপত্ৰ গান্ধৈ উন্মোচন, মৰাণঘৰ উন্মোচন আৰু মুকলি সভা অনুষ্ঠিত হয়। হেজাৰ হেজাৰ বিহুৱা-নাচনীয়ে গছ তলৰ বিহু পৰিৱেশন কৰে। দিনৰ ভাগত এহেজাৰ আয়তীয়ে খেৰি পৰিৱেশন কৰে। এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশ লৈ খেৰি পৰিৱেশন আৰু গছ তলৰ বিহুৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী সোণোৱালে এইদৰে কয়-

*(বাইট ঃ সোণোৱাল)*

আজি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে বিধায়ক বলিন চেতীয়া, পোনাকন বৰুৱা, পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ন বৰুৱাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কাইলৈ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক বদৌচা সমন্বয় বঁটা প্ৰদান কৰাৰ লগতে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। মৰাণ জনগোষ্ঠীৰ অন্যতম ঐতিহ্যমণ্ডিত ৰাতি বিহুৰ অনুষ্ঠানত কাইলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

ৰাজ্যৰ মিচিং বসতিপ্ৰধান অন্যান্য জিলাৰ লগতে ধেমাজি জিলাটো মিচিং জনগোষ্ঠীয় ছাত্ৰ সংগঠন টাকাম মিচিং পৰিন কেবাং চমুকৈ টি এম পি কে দাবী দিৱস পালন কৰে। ১৯৮৪ চনৰ পৰা প্ৰতি বছৰে আজিৰ দিনটোত জনগোষ্ঠীটোৰ দল-সংগঠনসমূহে এই দিৱস পালন কৰি আহিছে। জনগোষ্ঠীটোৰ অমীমাংসিত ১৪ দফীয়াসমূহ মীমাংসাৰ বাবে এই কাৰ্যসূচী লোৱা হয়। জিলাখনৰ জোনাই আৰু চিলাপথাৰত আজি ছাত্ৰ

সংগঠনটোৰ শতাধিক কৰ্মীয়ে মিচিং জনগোষ্ঠীয় অন্য দল-সংগঠনৰ সহযোগত এই দাবী দিৱস পালন কৰে। তেওঁলোকে জিলা আয়ুক্ত আৰু চক্ৰবিষয়াৰ জৰিয়তে দাবী সম্বলিত স্মাৰকপত্ৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী লৈ প্ৰেৰণ কৰে।

ooooo

পবিতৰা অভয়াৰণ্যত আজি এগৰাকী বনকৰ্মীয়ে ভাৰতীয় পিট্টা অৰ্থাৎ নৰৰংগ নামৰ চৰাইটো প্ৰথমবাৰৰ বাবে প্ৰত্যক্ষ কৰে। চৰাইটোৰ বৈজ্ঞানিক নাম- পিট্টা ব্ৰাচুৰিয়া আৰু এই চৰাইটোৰ পাখিত ৯টা ৰং আছে। পক্ষী অন্বেষণকাৰী আৰু পক্ষী সম্পৰ্কীয় আলোকচিত্ৰ গ্ৰহণকাৰী যুৱক দেৱজিৎ নাথ ধুনু, পল্লৱ প্ৰাঞ্জল শৰ্মা আৰু উমেশ ডেকাই অভয়াৰণ্যখনত চৰাইটোৰ প্ৰথমবাৰৰ বাবে আলোকচিত্ৰ সংগ্ৰহ কৰে। এই পৰিভ্ৰমী চৰাইটো অসমত ইয়াৰ পূৰ্বে কোকৰাঝাৰত দেখা গৈছিল বুলি তেওঁলোকে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, ৰঙিন আৰু ডাঠ ঠেংযুক্ত এই চৰাইটোৰ উৰণৰ সময়ত ইয়াৰ ৰংসমূহ অধিক আকৰ্ষণীয় ৰূপত ধৰা দিয়ে। দীঘল ঠেং, শক্তিশালী ঠোঁট, মূৰত পাখিৰ কীৰিটি, চকুৰ ক'লা ৰেখা আৰু তলৰ অংশত উজ্জ্বল ৰঙা ৰং থকা চৰাইটোৰ ওপৰৰ অংশ সেউজীয়া আৰু পাখিৰ ওপৰভাগত নীলা ৰং থাকে। গধূলি আৰু পুৱতি নিশা চৰাইটোৱে সুহুৰি বজোৱাৰ দৰে মাত মাতে। গছপাতৰ আৱৰ্জনাৰ মাজৰ পৰা এই চৰাইটোৱে পোক-পৰুৱা ধৰি খায়।

ooooo

**আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ- ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।**

ooooo

সমাপ্ত